# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***
**:::::::::::::::::::::::::::::::**

১। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটীৰ ৰুক্মিণীগাঁৱৰ নৱনিৰ্মিত ভগদত্ত উৰণ সেতুখন ৰাইজৰ বাবে মুকলি।

২। **বড়োলেণ্ড স্পীকছ ফ্ৰম ভীজন টু এক্সন** শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰি বড়োলেণ্ডত শান্তিৰ স্থায়িত্ব আনিব পাৰিছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে তিনিটাকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা প্ৰদান কৰা হ'ব বুলি অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ ঘোষণা।

৪। প্ৰায় ৮ ঘণ্টা ধৰি ৰে'ল চলাচল ব্যাহত হৈ থকাৰ অন্তত লামডিং-বদৰপুৰ ৰে'ল লাইনত পুনৰ ৰে'ল চলাচল আৰম্ভ। ***আৰু***

৫। এজবেষ্টন টেষ্টৰ অন্তিম দিনা দুটা ছেছন বাকী থকা অৱস্থাত ভাৰতক জয়ৰ বাবে **আৰু ৫টা** উইকেটৰ প্ৰয়োজন।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰুক্মিণীগাঁৱৰ নৱনিৰ্মিত **ভগদত্ত** উৰণ সেতুখন ৰাইজৰ বাবে মুকলি কৰে। ১১১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চাৰিটা লেনযুক্ত ৬৭০ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিণীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। ২০২৪ চনৰ অক্টোবৰত উৰণ সেতুখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়। উদ্বোধনী অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা কৃষি মন্ত্ৰী অতুল বৰা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী পৌৰসভাৰ মেয়ৰ মৃগেন শৰণীয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত **বড়োলেণ্ড স্পীকছ ফ্ৰম ভীজন টু এক্সন** শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰী,

মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য সমুদ্ৰগুপ্ত কাশ্যপ, সাংবাদিক ৰাছবিৰ হুছেইনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীৰ কেইবাগৰাকীও লোকসংগীতৰ বিশিষ্ট শিল্পীক অংগবস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, নগদ ৫০ হাজাৰ টকাৰে সন্মান জনোৱা হয়। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই **ট্ৰেন্সফৰ্মিং বড়োলেণ্ড, বড়োলেণ্ড হেপিনেছ মিছন, ছেদ' অৱ ইউনিটি**, প্ৰমোদ বড়োৰ ৰচিত গ্ৰন্থ **লুকিং উইডিন মাই ৰিফ্লেক্সন** শীৰ্ষক গ্ৰন্থকেইখন উন্মোচন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এসময়ত গোষ্ঠী তথা সাম্প্ৰদায়িক সংঘৰ্ষত জৰ্জৰ বড়োলেণ্ডত যোৱা ৪ বছৰে এটাও গুলী ফুটা নাই। এসময়ত নিজৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ বড়োলেণ্ডত বহুতেই আন্দোলন কৰিছিল কিন্তু বড়োলেণ্ডত এতিয়া তেনে অশান্ত পৰিৱেশ নাই বুলি উল্লেখ কৰি বড়োলেণ্ডত শান্তিৰ স্থায়িত্ব আনিব পাৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে বড়োলেণ্ডৰ জনগোষ্ঠীসমূহৰ জনসংখ্যা হ্ৰাস হৈছে। বৰ্তমান প্ৰতিটো জনগোষ্ঠীৰ জনসংখ্যা এক লাখৰ পৰা ৫ লাখৰ ভিতৰত সীমাবদ্ধ হৈ পৰিছে।

**বাইট (চি এম)**

একেটা অনুষ্ঠানতে বক্তব্য আগবঢ়াই বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই কয়, যে বড়োলেণ্ডত এতিয়া পূৰ্বৰ পৰিৱেশ নাই। ড০ শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰে পৰা সমগ্ৰ ৰাজ্য তথা বড়োলেণ্ডলৈ শান্তি ঘূৰি আহিছে। শ্ৰীবড়োৱে লগতে কয়, যে বড়োলেণ্ডৰ মুঠ ২৬টা জনগোষ্ঠীৰ ১৮টায়ে নিজৰ নিজৰ ভাষা কয় আৰু এই জাতি জনগোষ্ঠীসমূহৰ সম্প্ৰীতিৰ বাবে বিটিচি প্ৰশাসনে দায়িত্ব সহকাৰে কাম কৰি আহিছে।

০০০০

অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে ৩ টাকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা প্ৰদান কৰা হ'ব। অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালে আজি এই কথা সদৰি কৰিছে। নেহৰু ষ্টেডিয়ামৰ অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ক্ৰীড়া ক্ষেত্ৰক আগবঢ়াই নিয়াত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে দেশৰ প্ৰতিটো প্ৰান্তত খেলৰ বাতাবৰণ সৃষ্টি কৰাৰ পোষকতা কৰে। ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনা অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে ৩ টাকৈ পুৰস্কাৰ প্ৰদান কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বছৰৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদ, জীৱনজোৰা ক্ৰীড়া সাধনা বঁটা আৰু বছৰৰ উদীয়মযান খেলুৱৈ বঁটাকে ধৰি পোনপ্ৰথমবাৰৰ বাবে ৩টাকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত ৫, ৩ আৰু ২ লাখ টকাৰ পুৰস্কাৰ থাকিব। অৰ্জুন মনালিছা বৰুৱা, অভিজিত ভট্টাচাৰ্যকে ধৰি ৩ গৰাকী খেলুৱৈ অন্তৰ্ভুক্ত হৈ থকা কমিটি এখন গঠনৰ জৰিয়তে শ্ৰেষ্ঠ খেলুৱৈসকলক বাচনি কৰা হ'ব। অহা ৩ ছেপ্তেম্বৰত শিৱসাগৰত এই কাৰ্যসূচী আয়োজিত হ'ব বুলি শ্ৰীসোণোৱালে সদৰি কৰিছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নিখিল বড়ো ছাত্ৰ সন্থাৰ ১৫ জনীয়া এটা প্ৰতিনিধি দলৰ সৈতে আলোচনাত ভাগ লয়। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকী শীৰ্ষ বিষয়াই ভাগ লোৱা আলোচনাত বড়ো ছাত্ৰ সংগঠনটোৱে চৰকাৰক ২০২৬ৰ পূৰ্বে বিটিআৰ চুক্তি ৰূপায়ণ,

বিটিআৰৰ সকলো বিদ্যালয় প্ৰাদেশিকীকৰণকে ধৰি কেইবাটাও দাবী জনায়। ছাত্ৰ সংগঠনটোৰে হোৱা আলোচনাত মুখ্যমন্ত্ৰীয়ে এতিয়াৰে পৰা বড়োলেণ্ডত অসমীয়াৰ লগতে বড়ো ভাষাতো চৰকাৰী জাননী প্ৰকাশ হ'ব বুলি আশ্বাস প্ৰদান কৰে। আলোচনাৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই আলোচনা সৌহাদ্যপূৰ্ণ বুলি মন্তব্য কৰে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি সমষ্টিৰ ডুমডুমা -বৰচলা আদৰ্শ স্নাতক মহাবিদ্যালয়খন পৰিদৰ্শন কৰি শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি তথা স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত এক নতুন সংযোজন স্বৰূপ এই মহাবিদ্যালয়খন চলিত শিক্ষাবৰ্ষৰ পৰা পাঠদান আৰম্ভ কৰিবলৈ সাজু হৈছে। এছ অ' পি ডি আঁচনিৰ অধীনত আধুনিক শিক্ষাগত মানেৰে নিৰ্মাণ কৰা শিক্ষানুষ্ঠানখনে সুসংগঠিত পাঠদান ব্যৱস্থা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰী ডাঃ পেগুৱে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয় যে এই আদৰ্শ মহাবিদ্যালয়খনে অঞ্চলটোত উচ্চ শিক্ষাৰ এক নতুন যুগ আৰম্ভ কৰিব। স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিজৰ অঞ্চলতে গুণগত শিক্ষা গ্ৰহণৰ সুবিধা নিশ্চিত হব বুলিও তেওঁ কয়।

মন্ত্ৰীগৰাকীয়ে দৰং জিলাৰ খাৰুপেটিয়াত নৱ নিৰ্মিত মঙলদৈ কন্যা আদৰ্শ মহাবিদ্যালয়খনো আজি পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনত প্ৰথমবাৰৰ বাবে ২০২৫-২৬ বৰ্ষত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা পহিলা আগষ্টৰ পৰা মহাবিদ্যালয়খনত শ্ৰেণীসমূহ আৰম্ভ হব। এই শিক্ষানুষ্ঠানখনৰ জৰিয়তে অঞ্চলটোত নাৰী শিক্ষাৰ ক্ষেত্ৰত প্ৰগতি ত্বৰান্বিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

যোৰহাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই শেহতীয়াকৈ নিশাৰ ভাগত আৰক্ষী থানা তথা চকীসমূহ পৰিদৰ্শন কৰা পৰিলক্ষিত হৈছে। জৰুৰীকালিন অৱস্থাত আৰক্ষী বিভাগৰ সহাৰি তথা বিভাগটোৰ কাম-কাজৰ বুজ লবলৈ শ্ৰীমিশ্ৰই এই পদক্ষেপ হাতত লৈছে। তদুপৰি নিয়মীয়া তালাচী অভিযান, সুৰাপায়ী চালকৰ বিৰুদ্ধে অভিযানকে ধৰি জিলাখনৰ বিভিন্ন প্ৰান্তত নিশাৰ ভাগত আইন শৃংখলা পৰিস্থিতি অটুত ৰখাৰ বাবে সকলো ব্যৱস্থা সুচাৰুৰূপে অব্যাহত ৰখা হৈছে। উল্লেখযোগ্য যে গোলাঘাট জিলাই দুখনকৈ বহিঃৰাজ্যৰ সীমা স্পৰ্শ কৰি থকাৰ পৰিপ্ৰেক্ষিতত আৰক্ষী বিভাগে সদায় সষ্টমভাৱে দায়িত্ব পালন কৰি থকা পৰিলক্ষিত হৈছে।

০০০০

প্ৰায় ৮ ঘণ্টা ধৰি ৰে'ল চলাচল ব্যাহত হৈ থকাৰ অন্তত লামডিং-বদৰপুৰ ৰে'ল লাইনত পুনৰ ৰে'ল চলাচল আৰম্ভ হয়। পুৱতি নিশা মাইবং-দাওতুহাজা আৰু মুপা-দিহাখুৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বহুকেইখন ৰে'লৰ সময়সূচী সলনি তথা কেইবাখনো ৰে'ল অঞ্চলটোত আবদ্ধ হৈ পৰিছিল। পুৱতি নিশা গুৱাহাটীৰ পৰা শিলচৰ অভিমুখে গুৱাহাটী-ৰঙিয়া এক্সপ্ৰেছ ৰে'লখন হাতীখালী ষ্টেচনত আৱদ্ধ হৈ পৰিছিল। একেদৰে গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ ৰে'লখন লামডিং ষ্টেচনত আৰু গুৱাহাটী-দুৰ্লভছৰা এক্সপ্ৰেছ ৰে'লখন লাংটিং ষ্টেচনত আৱদ্ধ হৈ আছিল। আগৰতলা-দেওঘৰ এক্সপ্ৰেছ

ৰে’লখনো হাফলং ষ্টেচনত আৱদ্ধ হৈ আছিল। ভূমিস্খলন সংঘটিত হোৱা ৰে’লপথছোৱা মুকলি কৰাৰ পাছতে পুনৰ ৰে’ল চলাচল আৰম্ভ হয়।

০০০০

সমগ্ৰ দেশতে আজি জনসংঘৰ প্ৰতিষ্ঠাপক তথা মহান দেশপ্ৰেমীক শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ নাৰায়ণ সিং আৰু অন্যান্য নেতাসকলে ড০ মুখাৰ্জীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়ুক্ত সংহত কাৰ্যালয়ৰ সভাকক্ষত আজি মহান দেশপ্ৰেমীক গৰাকীৰ জন্ম দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই গছপুলি ৰোপণ কৰাৰ লগতে শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগতো আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গাম্ভীৰ্যপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে আজিৰে পৰা ২০২৭ বৰ্ষৰ ৬ জুলাইলৈকে দেশজুৰি আয়োজন কৰা দুবছৰীয়া কাৰ্যসূচীৰ অংশ হিচাপে এই বৈঠক অনুষ্ঠিত হয়। সভাত ভাষণ দি জিলা আয়ুক্ত অংকুৰ ভড়ালীয়ে ড০ মুখাৰ্জীৰ দৰে জাতীয় বীৰসকলৰ অৱদান নৱ প্ৰজন্মক অৱগত কৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিলচৰত জিলা প্ৰশাসনৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত কাছাৰৰ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে’, বিশিষ্ট কবি অতিন দাসৰ লগতে জ্যেষ্ঠ বিষয়া আৰু কৰ্মচাৰীসকলে ড° মুখাৰ্জীৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি তৰ্পন কৰে। নগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকি তেওঁৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পন কৰে।

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত আজি কাৰ্যালয় সভাকক্ষত ড° শ্যামা প্ৰসাদ মুখাৰ্জী জয়ন্তী উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ড° মুখাৰ্জীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজলন তথা পুষ্পাঞ্জলি অৰ্পন কৰি জিলা আয়ুক্তগৰাকীয়ে মহান দেশপ্ৰেমীক গৰাকীৰ আদৰ্শ, চিন্তাধাৰা আৰু ত্যাগে ভৱিষ্যত প্ৰজন্মক দেশ সেৱাৰ প্ৰতি উৎসৰ্গিত হোৱাত অনুপ্ৰাণিত কৰিব বুলি উল্লেখ কৰে।

০০০০

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতিৰ অনুমোদন সাপেক্ষে সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত অসম প্ৰদেশ কংগ্ৰেছ কমিটী, ৰাজ্যৰ বিভিন্ন জিলা কংগ্ৰেছ কমিটীৰ সভাপতিৰ লগতে ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ নাম ঘোষণা কৰা হৈছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে চি বেনুগোপাল স্বাক্ষৰিত পত্ৰ অনুসৰি জীতেন্দ্ৰ সিঙৰ অধ্যক্ষতাত ১৯ জনীয়া ৰাজনৈতিক পৰিক্ৰমা কমিটী সদস্যসকলৰ নামৰ তালিকা প্ৰকাশ পাইছে। ১৯ জনীয়া কমিটীখনৰ লগতে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সকলো সদস্য স্থায়ী সদস্য হিচাপে থাকিব। আনহাতে প্ৰদেশ কংগ্ৰেছ কমিটীৰ ১৪ গৰাকী উপ-সভাপতি, ৩৩ গৰাকী সাধাৰণ সম্পাদক, ৩৫ গৰাকী সম্পাদক আৰু ২০ গৰাকী যুটীয়া সম্পাদকৰ নামৰ তালিকা প্ৰকাশ হৈছে। একেখন পত্ৰতে ৰাজ্যৰ ৩৫ খন জিলাৰ কংগ্ৰেছ কমিটীৰ সভাপতিৰ নামো তালিকা প্ৰকাশ হৈছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বাক্সা জিলাৰ জালাহ খাগ্ৰাবাৰী অঞ্চলৰ পূৰ খাগ্ৰাবাৰী, পশ্চিম খাগ্ৰাবাৰী, মেধিপাৰা, জালাহ আলিগুৰি, অঞ্চলি, চহোগুৰি, ভূতেপোৰা বৰি, চৰ্ণা, আদিকে ধৰি কেইবাখনো গাওঁৰ শ শ বিঘা মাটি খৰাঙৰ কবলত পৰিছে। খৰাঙত মাটিয়ে চিৰালফাট দিয়াত কৃষকসকল বিপদত পৰা পৰিলক্ষিত হৈছে। সময়মতে কঠিয়া তুলিবলৈ অপাৰগ হোৱাৰ ফলত কঠিয়াতলী ৰঙা পৰি যোৱা পৰিলক্ষিত হৈছে। বৃহত্তৰ জালাহ অঞ্চলৰ কৃষকসকলে ৰাজ্য চৰকাৰ তথা বিটিআৰ চৰকাৰক জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ বাবে অনুৰোধ জনাইছে।

০০০০

সমাগত বিটিচি নিৰ্বাচনক কেন্দ্ৰ কৰি ওদালগুৰি জিলাত বিজেপি দলে বিশেষ তৎপৰতা আৰম্ভ কৰিছে। টংলাৰ খালিংদুৱাৰ মণ্ডলত অনুষ্ঠিত বিজেপিৰ বিশেষ সাংগঠনিক সভাত ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী পিযুষ হাজৰিকাই অংশগ্ৰহণ কৰি খালিংদুৱাৰ পৰিষদীয় সমষ্টিতো বিজেপিৰ দখললৈ অনাৰ বাবে দলটোৰ কৰ্মকৰ্তাসকলক আহ্বান জনায়। মন্ত্ৰী হাজৰিকাই লগতে দলৰ কৰ্মকৰ্তাসকলৰ সৈতে বিভিন্ন সাংগঠনিক দিশ সম্পৰ্কে আলোচনা কৰি সমাগত বিটিআৰ নিৰ্বাচনত বিজেপিৰ বিজয় সুনিশ্চিত কৰাৰ বাবে নিষ্ঠা সহকাৰে কাম কৰি যাবলৈ সকলোকে আহ্বান জনোৱাৰ উপৰি চৰকাৰৰ সকলো জনকল্যানমূলক আঁচনি, পদক্ষেপৰ বিষয়ে তৃণমূল পৰ্যায়ত প্ৰচাৰ কৰি দলৰ সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০

গোলাঘাট জিলাৰ বিভিন্ন স্থানত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ধনশিৰি নৈৰ জলপৃষ্ঠ ক্ৰমাৎ বাঢ়ি অহা পৰিলক্ষিত হৈছে। ধনশিৰি নৈৰ বাঢ়নি পানীয়ে ইতিমধ্যে সৰুপথাৰ, বৰপথাৰ, নুমলিগড়, খুমতাই, মৰঙি আদি অঞ্চলৰ দুকুৰিৰো অধিক গাওঁ প্লাৱিত কৰিছে। সৰুপথাৰ সমজিলাৰ অন্তৰ্গত নাওজান কৈৰী গাঁও, চেৰাগুৰি, শিঙিমাৰী, শিমলুচাপৰি আদি অঞ্চল বানে প্লাৱিত কৰাৰ ফলত ৰাইজে ঘৰ এৰি মথাউৰিত আশ্ৰয় ল'বলগীয়া হৈছে। বানাক্ৰান্ত লোকসকলে ইতিমধ্যে জিলা প্ৰশাসনে ব্যৱস্থা কৰি দিয়া শিবিৰত আশ্ৰয় গ্ৰহণ কৰাৰ লগতে পশুধন সমূহকো নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিছে। ইফালে খুমতাই বিধানসভা সমষ্টিৰ মৰঙি ৰাজহ চক্ৰৰ অধীনত কুৰিখনৰো অধিক গাওঁত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে আতংকৰ সৃষ্টি কৰিছে। ধনশিৰি নৈৰ দাতিকাষৰীয়া মইনাপাৰা, কাঠকটীয়া, কুৰুকা, শালমৰা গ্ৰাণ্ট, ঢুলিয়াগাওঁ, দুখুতিমুখ, তিনি নম্বৰ ভোলাগুৰি, কৈৱৰ্তগাওঁ, চেচামুখ, কৰদৈগুৰি, কেন্দুগুৰি আদি গাঁৱত বৃদ্ধি হোৱা ধনশিৰি নৈৰ বাঢ়নি পানীয়ে পথ আৰু ঘৰৰ ভেটি বুৰাই পেলাইছে। ইয়াৰ উপৰি শালি খেতিৰ লগতে বিভিন্ন শাক পাচলিৰ খেতি বাঢ়নি পানীয়ে বুৰাই পেলোৱাত কৃষক ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। জিলা প্ৰশাসনৰ তৰফৰ পৰা উদ্ধাৰ অভিযান অব্যাহত আছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

০০০০

এজবেষ্টন টেষ্টত দ্বিতীয়খন টেষ্টৰ অন্তিম দিনাৰ খেল আকৰ্ষণীয় হৈ পৰিছে। ভাৰত শক্তিশালী স্থিতিত আছে যদিও বৰষুণে খেলখনত বিধি পথালি দিছে। বৰষুণৰ বাবে খেলপথাৰ খেলৰ অনুপযোগী হৈ থকাৰ বাবে সময়তকৈ যথেষ্ট পলমকৈ খেল আৰম্ভ হয়। চতুৰ্থ দিনাৰ অন্তত ঘৰুৱা দলটোৱে দুই উইকেটত ৭২ ৰানৰ পৰা আজি খেল আৰম্ভ কৰি আৰম্ভণিতেই দুটা উইকেট হেৰুৱায়। আকাশ দীপৰ বলত এল বি ডব্লিউ হৈ হেৰি ব্ৰুক ২৩ ৰানত আউট হয়। আনহাতে আকাশ দীপৰ বলতে নৈশ প্ৰহৰী হৈ থকা অলী প'পো ২৪ ৰানত আউট হয়।

বৰ্তমান বেন ষ্টকছে ৩৩ ৰান আৰু জেমি স্মিথে ৩২ ৰান কৰি খেলি আছে। বাতৰি যুগুত কৰাৰ সময়লৈ ইংলেণ্ডে ৫টা উইকেটৰ বিনিময়ত ১৫০ ৰান সংগ্ৰহ কৰিছে। অৰ্থাৎ ভাৰতক জয়ৰ বাবে ৫ উইকেটৰ প্ৰয়োজন হোৱাৰ বিপৰীতে ঘৰুৱা দলটোক জয়ৰ বাবে ৪৫৭ ৰানৰ প্ৰয়োজন।

ইয়াৰ পূৰ্বে ভাৰতে সুভমন গীলৰ আকৰ্ষণীয় ১৬১ আৰু কে এল ৰাহুল, ঋষভ পণ্ট আৰু ৰবীন্দ্ৰ জাদেজাৰ অৰ্ধ শতকৰ সহায়ত ৬টা উইকেট হেৰুৱাই ৪২৭ ৰান কৰা অৱস্থাত দ্বিতীয় ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। ইয়াৰ লগে লগে সুভমন গীল টেষ্ট ক্ৰিকেটৰ ১৪৮ বছৰীয়া ইতিহাসত প্ৰথম ইনিংছত দ্বি-শতক আৰু দ্বিতীয় ইনিংছত শতক অৰ্জন কৰা বিশ্বৰ নৱমগৰাকী খেলুৱৈ হিচাপে পৰিগণিত হয়। সুভমনে এনে কৃতিত্ব অৰ্জন কৰা ভাৰতৰ সামগ্ৰিকভাৱে দ্বিতীয় আৰু প্ৰথমগৰাকী অধিনায়ক হিচাপেও পৰিচিতি লাভ কৰে। উল্লেখযোগ্য যে ইংলেণ্ডে ভাৰতৰ ৫৮৭ ৰানৰ প্ৰত্যুত্তৰত প্ৰথম ইনিংছত ৪০৭ ৰান সংগ্ৰহ কৰিছিল।

০০০০

ছিংগাপুৰত আজিৰ পৰা অহা ১২ জুলাইলৈ অনুষ্ঠিত হবলগীয়া বিশ্ব ৰেংকিং লাইন ছিটি কাপ লনবল প্ৰতিযোগিতাত অসমৰ পুতুল সোণোৱালে অংশগ্ৰহণ কৰিছে। ভাৰতীয় পুৰুষ দলত পুতুল সোণোৱাল আৰু দীনেশ কুমাৰ তথা মহিলা দলত ৰীমা পাও আৰু আঁচল মালহোত্ৰাই অংশগ্ৰহণ কৰিছে। ভাৰতীয় দলৰ বিজয়ধবজা উৰুৱাবলৈ সাজু হোৱা পুতুল সোণোৱালক অসম লনবল সন্থাই শুভেচ্ছা জনাইছে।

০০০০

যোৰহাটৰ বঙালপুখুৰী নিৱাসী তথা বিশিষ্ট শিক্ষাবিদ পোনাৰাম ভূঞাৰ আজি বিয়লি দেহাৱসান ঘটে। শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰা ভূঞাই জিলা শিক্ষা বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ।

০০০০০

সমাপ্ত